# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-12-2025 **Time :** 1800Hrs.

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন।

২। কাইলৈ প্ৰধানমন্ত্ৰীৰ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। তিনিচুকীয়াত কাইলৈৰ পৰা অসমী চৰচ মেলা।

*আৰু*

৪। আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫জনীয়া ভাৰতীয় দল ঘোষণা।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছুসময় পূৰ্বে গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূৰৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অসমে পথ আৰু বিমান সেৱাৰ আন্তঃগাথনিৰ ক্ষেত্ৰত কৰা উন্নয়নৰ ওপৰতো তেওঁ আলোকপাত কৰে। অসমে আন্তঃগাথনিগত দিশৰ উন্নয়নৰ লগতে আইন শৃংখলা উন্নয়ন সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত শীৰ্ষ স্থানত থকা বিষয়টোক লৈ প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। অসমে উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰি অগ্ৰসৰ হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে।

বাইট ঃ মোদী

অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰায়মোহন নাইডু, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰীক গামোচা, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবি আৰু নতুন বিমান বন্দৰৰ আৰ্হিত খোদিত বিশেষ স্মাৰকেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত দিয়া ভাষণত বিমান পৰিবহন মন্ত্ৰীগৰাকীয়ে অসম তথা উত্তৰ পূবৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু লোক জীৱনক প্ৰশংসা কৰি কয় যে উত্তৰ পূব ভ্ৰমণ অবিহনে ভাৰত ভ্ৰমণ সম্পূৰ্ণ নহয়। তেওঁ সকলোকে অসম তথা উত্তৰ পূব ভ্ৰমণৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত অসমবাসীয়ে নিজৰ সপোনক বাস্তৱায়িত কৰিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিকদৰ্শন কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে শান্তি, প্ৰগতি আৰু বিকাশৰ পথত অগ্ৰসৰ হোৱা ৰাজ্যখনে গুৱাহাটী বিমান বন্দৰত সোনকালে দ্বিতীয়টো টাৰ্মিনেল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

ইয়াৰ আগেয়ে বৰঝাৰ বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে অসমৰ বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শনেৰে আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত

থাকে। ইয়াৰ পাছতে তেওঁ টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ উলিওৱা এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। তেঁও কিছুসময় পাছত গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই কালি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চৰচ মেলা কাইলৈৰ পৰা ৩০ ডিচেম্বৰলৈ তিনিচুকীয়া জিলাত অনুষ্ঠিত হ'ব। চৰচ মেলাত দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্প, মৃৎ শিল্প, কাঠ শিল্প সামগ্ৰীকে ধৰি খাদী, টেৰাকোটা সামগ্ৰীৰ ২৫ খন বিশেষ বিপণী থাকিব। তদুপৰি অসমৰ মুগা শিল্প, জি আই টেগযুক্ত পানীমেটেকাৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, মুখাশিল্প, থলুৱা খাদ্য আৰু অন্যান্য হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী থাকিব। মেলাৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য আৰু ৰন্ধন প্ৰতিযোগিতা, সংগীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০০০০

নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাই ৰে'লপথত আজি পুৱতি নিশা ৰেলৰ খুন্দাত ৭ টা হাতীৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত হোজাই জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। তেঁও এনে ঘটনা যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে বন বিভাগ আৰু ৰেল কৰ্তৃপক্ষক আলোচনামৰ্মে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, আজি পুৱতি নিশা ২ বাজি ১৭ মিনিটত নামনিমুৱা চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয় আৰু এটা আহত হয়। এই দুৰ্ঘটনাত ৰে'লখনৰ ইঞ্জিনসহ পাঁচটা দবা লাইনৰ পৰা বাগৰি পৰে। দুৰ্ঘটনাত কোনো লোক হতাহত হোৱা নাই বুলি ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে ৰে'লপথ অতিক্ৰম কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। ইয়াৰ ভিতৰত দুটা দঁতাল হাতী আৰু এজনী গৰ্ভৱতী হাতীকে ধৰি পাঁচজনী মাইকী হাতী আছিল। ঘটনাৰ খবৰ পোৱা মাত্ৰেই ৰে'ল বিভাগ আৰু বন বিভাগৰ বিষয়া কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে তৎপৰতাৰে কাম আৰম্ভ কৰি ৰে'লপথছোৱা মুকলি কৰে।

০০০০০০০

ধেমাজি জিলা আবকাৰি বিভাগ আৰু জোনাই সমজিলা আবকাৰি বিভাগে যৌথভাৱে অভিযান চলাই যোৱা নিশা জোনাই বিভিন্ন স্থানত বুজন পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰে। বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত অসম-অৰুণাচল সীমান্তৰ কেইবাটাও অঞ্চলত অভিযান চলাই দলটোৱে এই ব্যৱসায়ৰ লগত জড়িত দুজন লোকক আটক কৰে। আটকাধীন লোক দুজনক বৰ্তমান আবকাৰি বিভাগৰ জিম্মাত ৰাখি সোধা-পোছা কৰি থকা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

কলিয়াবৰৰ শিলঘাটত অৱস্থিত অসম সমবায় মৰাপাট কলৰ দ্বিতীয়টো গোটত ২০ দিনীয়া অচলাৱস্থাৰ অন্তত কাইলৈৰ পৰা পুনৰ উৎপাদন আৰম্ভ হ'ব। চনু এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী শশী প্ৰকাশ পুৰোহিতক মৰাপাট কল পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মৰাপাট যোগানকাৰীৰ সৈতে হোৱা বৈঠকত দ্বিতীয় গোটটোৰ উৎপাদন আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫জনীয়া দল ঘোষণা কৰিছে। সূৰ্য কুমাৰ যাদৱক দলটোৰ অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। শাৰিৰীক অসুস্থতা আৰু ফৰ্ম নথকাৰ বাবে শুভমন গীলক উপ-অধিনায়কৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে আৰু দলৰ পৰাও বাদ দিয়া হৈছে। অক্ষৰ পেটেলক পুনৰ উপ-অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। দলত সঞ্জু ছেমচন আৰু অভিষেক শৰ্মাক অপেনাৰ হিচাপে দলত স্থান দিয়া হৈছে। উইকেট কীপাৰ বেটছমেন ঈষাণ কিষাণক দ্বিতীয় উইকেট কীপাৰ হিচাপে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় দলটোৰ সদস্যসকলৰ ভিতৰত সূৰ্য কুমাৰ যাদৱ, অভিষেক শৰ্মা, সঞ্জু ছেমচন, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল, ৰিংকু সিং, যশপ্ৰীত বুমৰা, হৰ্ষিত ৰাণা, অৰ্শ্বদীপ সিং, কুলদীপ যাদৱ, বৰুণ চক্ৰৱৰ্তী, ৱাশ্বিংটন সুন্দৰ আৰু ঈষাণ কিষাণ আছে। আই চি চি টি-২০ বিশ্বকাপ অহা বছৰ ৭ ফেব্ৰুৱাৰীৰ পৰা ৮ মাৰ্চলৈ অনুষ্ঠিত হ'ব।

০০০০০০০

স্বনামধন্য ক্ৰিকেট খেলুৱৈ নৱ কমল ভূঞাৰ আজি পুৱা চেন্নাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৮ বছৰ। উল্লেখযোগ্য যে অসমৰ হৈ প্ৰয়াত ভূঞাই প্ৰথম ৰঞ্জী ট্ৰফী প্ৰতিযোগিতাত অংশ লৈছিল। উল্লেখযোগ্য যে প্ৰথমখন ৰঞ্জী ট্ৰফী খেলত যোৰহাট ষ্টেডিয়ামত হোল্কাৰ ষ্টেটৰ বিৰুদ্ধে প্ৰথমটো ৰাণ কৰি ইতিহাস সৃষ্টি কৰিছিল। ৪০ আৰু ৫০ৰ দশকত তেওঁ অসমত ক্ৰিকেট খেলৰ অনুকূল পৰিবেশ সৃষ্টিত উল্লেখনীয় ভূমিকা আগবঢ়াই গৈছে। তেওঁৰ মৃত্যুত ৰাজ্যৰ বিভিন্ন ক্ৰীড়া সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**